**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। ৰাজ্যৰ বান পৰিস্থিতিৰ অৱনতি। ১৯ খন জিলাৰ ৩ লাখ ৬৪ হাজাৰৰো অধিক লোক বানৰ কবলত। এই পৰ্যন্ত ১২ জন লোকৰ মৃত্যু।

২। শেহতীয়া বান পৰিস্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে গৃহমন্ত্ৰী অমিত শ্বাহৰ ফোনযোগে আলোচনা। নদী কাষৰীয়া জনসাধাৰণক সতৰ্কতা অৱলম্বন কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান।

৩। শিক্ষকসকলৰ ৩০ দিনৰ আৰ্জিত ছুটী সন্দৰ্ভত ৰাজ্য চৰকাৰে অচিৰেই যোগাত্মক সিদ্ধান্ত গ্ৰহণ কৰিব বুলি সন্মিলিত শিক্ষক মঞ্চৰ প্ৰতিনিধিক মুখ্যমন্ত্ৰীৰ আশ্বাস।

৪। পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণত মৃত্যু হোৱা ঘোঁৰা চালক আদিল হুছেইন শ্বাহৰ পৰিয়ালক অসম চৰকাৰৰ হৈ মন্ত্ৰী অতুল বৰাৰ পাঁচ লাখ টকাৰ সাহায্য প্ৰদান।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাই ইণ্ডিয়ানছক ৫ উইকেটত হৰুৱাই পাঞ্জাব কিংছৰ ফাইনেলত প্ৰৱেশ।

০০০০০০

বিগত কেইবাদিনো হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত ৰাজ্যৰ ১৯ খন জিলাৰ ৩ লাখ ৬৪ হাজাৰৰো অধিক লোক বানৰ কবলত পৰিছে। ধেমাজি, শ্ৰীভূমি, গোৱালপাৰা, লখিমপুৰ, নগাঁও, পশ্চিম কাৰ্বি আংলং, তিনিচুকীয়া, শিৱসাগৰ, হোজাই, কামৰূপ, ডিব্ৰুগড়ৰ লগতে কাছাৰ জিলাৰ বহু অঞ্চল প্লাৱিত হৈ পৰিছে। শেহতীয়া বানত ৰাজ্যৰ ৭৬৪ খন গাঁও পানীত বুৰ যোৱাৰ লগতে তিনি হাজাৰ ৫২৪ হেক্টৰ কৃষিভূমি পানীৰ তলত আছে। এই পৰ্যন্ত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বান, ভূমিস্খলন আদিত ১২ জন লোকৰ মৃত্যু হোৱাৰ তথ্য পোৱা গৈছে। আমাৰ কামৰূপৰ সংবাদদাতাই জনোৱা মতে ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত আজি পুনৰ গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত ফেৰী সেৱা বন্ধ ৰখা হৈছে। ফেৰী ঘাটৰ ৰেম্পসমূহ পানীত বুৰ যোৱাত এই ৰেম্পসমূহৰ পুনৰ নিৰ্মাণ নোহোৱা পৰ্যন্ত গুৱাহাটীৰ দুটা ঘাটৰ ফেৰী সেৱা বন্ধ থাকিব। ব্ৰহ্মপুত্ৰৰ জলস্তৰ প্ৰায় বিপদসীমা স্পৰ্শ কৰাৰ উপক্ৰম হৈছে।

ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ বাবে যোৰহাট আৰু মাজুলীৰ মাজৰ ফেৰীসেৱা পৰৱৰ্তী জাননী নিদিয়ালৈকে স্থগিত ৰখা হৈছে। প্ৰশাসনে সকলোকে সাৱধানতা অৱলম্বন কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে যিকোনো সহায়ৰ বাবে জিলা জৰুৰীকালীন অভিযান কেন্দ্ৰক জনাবলৈ অনুৰোধ জনাইছে।

গোলাঘাট জিলা প্ৰশাসনেও শেহতীয়া প্ৰতিকূল প্ৰাকৃতিক পৰিস্থিতিৰ বাবে প্ৰশানৰ বিষয়াসকলক সাজু থকাৰ নিৰ্দেশ দিছে। তদুপৰি এই সময়খিনিত ৰাইজক সাৱধানতা অৱলম্বন কৰিবলৈ প্ৰশাসনে আহ্বান জনাইছে।

কাছাৰ জিলাত বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। বৰ্তমান জিলাখনত বৰষুণ হোৱা নাই যদিও বৰাক নদীৰ জলস্তৰ দুই চেণ্টিমিটাৰ পৰ্যান্ত বৃদ্ধি পাইছে। সম্প্ৰতি বৰাক নদীৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাত জিলাখনৰ পৰিস্থিতি জটিল হৈ পৰিছে। শিলচৰত ইতিমধ্যে বানপীড়িতসকলৰ বাবে ১৫ টা আশ্ৰয় শিবিৰ মুকলি কৰি হৈছে। জিলা প্ৰশাসনে প্ৰকাশ কৰা মতে বানৰ বাবে ১৫৪ টা ট্ৰেন্সফৰ্মাৰ বিকল হৈ পৰাত বিদ্যুৎ সেৱা ব্যাহত হৈছে। পশ্চিম কাটিগড়াৰ মহাদেৱপুৰত ভূমিস্খলনত ৭ জন লোক আহত হৈছে। একেটা পৰিয়ালৰ সাতগৰাকী সদস্যক উদ্ধাৰ কৰি প্ৰথমে জালালপুৰ ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়া হয় যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। জিলাখনৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আমাৰ সংবাদদাতা আঁখীৰাণী দাসে এইদৰে জনাইছে।

*(বাইট ঃ আঁখীৰাণী দাস)*

ইপিনে, প্ৰতিকূল বতৰৰ বাবে কাৰ্বি আংলং জিলা প্ৰশাসনে জিলাখনৰ জনসাধাৰণক সম্প্ৰতি বনভোজস্থলী, পৰ্যটন স্থান, জনপ্ৰপাতসমূহ ভ্ৰমণ নকৰিবলৈ আহ্বান জনাইছে। প্ৰশাসনৰ তথ্য অনুসৰি বিগত কেইবাদিনো ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত জিলাখনৰ মাজেৰে বৈ যোৱা নদীসমূহে বিপদসীমা অতিক্ৰম কৰিছে।

লখিমপুৰ জিলা আয়ুক্তই কালি জিলাখনৰ বান ক্ষতিগ্ৰস্ত পোতাবিল, পাঁচনৈ আৰু কয়লামাৰি অঞ্চলৰ পৰিস্থিতি পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে লগতে বান পীড়িতসকলক সাহায্য বিতৰণৰ বাবে স্থাপন কৰা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰি ব্যৱস্থাৰ বুজ লয়।

শিৱসাগৰৰ কোঁৱৰপুৰ মৌজাৰ মামল গড়ভঙাত ব্ৰহ্মপুত্ৰৰ এখন শ্লুইছ গে'ট পানীয়ে ভাঙি নিয়াত কোঁৱৰপুৰৰ জনবসতিপূৰ্ণ এলেকাৰ ক্ষতি হৈছে।

ৰাজ্যত বান আৰু ভূমিস্খলনে জটিল ৰূপ ধাৰণ কৰাৰ সময়ত গৃহমন্ত্ৰী অমিত শ্বাহে কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে ফোনযোগে আলোচনা কৰি ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিৰ বুজ লয়। গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সকলো ধৰণৰ সহায়ৰ আশ্বাস প্ৰদান কৰা বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়েও গৃহমন্ত্ৰীগৰাকীক অৱগত কৰা বুলি সদৰি কৰিছে। ইপিনে মুখ্যমন্ত্ৰী ড০ শৰ্মাই দ'ভূমি তথা নৈৰ পাৰত বাস কৰা ৰাইজক সজাগ হৈ থকাৰ লগতে সাৱধানতা অৱলম্বন কৰিবলৈ আৰু স্থানীয় প্ৰশাসনৰ পৰামৰ্শসমূহ অনুসৰণ কৰিবলৈ অনুৰোধ জনাইছে।

০০০০০০

অসমৰ লগতে চুবুৰীয়া ৰাজ্য মণিপুৰ, ছিকিম আৰু অৰুণাচল প্ৰদেশতো ধাৰাসাৰ বৰষুণৰ ফলত বান, ভূমিস্খলন আৰু খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। ৰাজ্যকেইখনত এন ডি আৰ এফ, এছ ডি আৰ এফকে ধৰি অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় প্ৰশাসনে ২৪ ঘণ্টাই ক্ষতিগ্ৰস্ত লোকসকলক সহায় আৰু উদ্ধাৰৰ বাবে অভিযান অব্যাহত ৰাখিছে। মণিপুৰ, ছিকিম আৰু অৰুণাচল প্ৰদেশৰ উপৰি মেঘালয়, ত্ৰিপুৰা আৰু নাগালেণ্ডতো বিগত সময়ছোৱাত হোৱা বৰষুণে ব্যাপক ক্ষয়-ক্ষতি কৰিছে। এই ৰাজ্যকেইখনত এতিয়ালৈ ২৭ জন লোকৰ মৃত্যু হোৱাৰ

তথ্য পোৱা গৈছে। এই ২৭ জন লোকৰ ভিতৰত অৰুণাচল প্ৰদেশত ৯ জন, মেঘালয়ত ৬ জন, অসম আৰু মিজোৰামত ৫ জনকৈ আৰু ত্ৰিপুৰা আৰু নাগালেণ্ডত এজনকৈ লোকৰ মৃত্যু হৈছে। ইপিনে, ছিকিমত ভূমি স্খলনৰ ফলত যোগাযোগ ব্যৱস্থা ব্যাহত হৈ পৰাত কালি এহেজাৰ ৫০০ গৰাকী পৰ্যটক আবদ্ধ হৈ পৰাৰ উপৰি কেইবাজনো লোকৰ প্ৰাণহানি হোৱা বুলি জানিব পৰা গৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি কেবিনেট উপসমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ২০২৬ চনৰ ১ জানুৱাৰী অথবা তাৰ পূৰ্বে স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰাদেশীকিকৰণৰ খচৰা বিধেয়ক পৰ্যালোচনা কৰা হয়। বৈঠকত ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তি, ভূমি অধিকাৰৰ প্ৰমাণ পত্ৰ, নিম্ন, মাধ্যমিক, উচ্চ, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ডিগ্ৰী কলেজৰ বিত্তীয় প্ৰয়োজনীয়তা সন্দৰ্ভতো আলোচনা কৰা হয়। তদুপৰি নতুনকৈ স্থাপন কৰা ১০ খন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ পদ সৃষ্টি, অসম সমাজ বিজ্ঞান গৱেষণা পৰিষদ প্ৰতিষ্ঠা, ছখন নতুন চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ পদৰ অনুমোদন আদি বিষয়টো বৈঠকত আলোচনা কৰা হয়। ইপিনে শিক্ষকসকলক আৰ্জিত ছুটী প্ৰদান, বিশেষ প্ৰক্ৰিয়াৰে নিযুক্ত শিক্ষকসকলৰ বাৰ্ষিক বেতনৰ বাবে নিৰ্ধাৰণ কৰা সময়সীমা হ্ৰাস, গ্ৰেড পে' বৃদ্ধিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত কালি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সদৌ অসম সন্মিলিত শিক্ষক মঞ্চৰ প্ৰতিনিধিৰ সৈতে আলোচনা কৰে। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে শিক্ষকসকলক ৩০ দিনৰ আৰ্জিত ছুটীৰ ক্ষেত্ৰত অচিৰেই আনুষ্ঠানিক যোগাত্মক সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে গঠন কৰি দিয়া উচ্চ ক্ষমতা সম্পন্ন সমিতিয়ে দিয়া প্ৰতিবেদন প্ৰকাশ কৰি কালি হোৱা আলোচনাত মুখ্যমন্ত্ৰীয়ে দেশৰ বিভিন্ন ৰাজ্যৰ শিক্ষকসকলে লাভ কৰা আৰ্জিত ছুটী সন্দৰ্ভত পৰ্যালোচনা কৰে।

০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালক অসম চৰকাৰে আৰ্থিক সাহায্য আগবঢ়াবলৈ গ্ৰহণ কৰা ব্যৱস্থা অনুসৰি কৃষি মন্ত্ৰী অতুল বৰাই কালি অঞ্চলটোত আক্ৰমণৰ সময়ত মৃত্যু হোৱা ঘোঁৰা চালক আদিল হুছেইন শ্বাহৰ পৰিয়ালক সাক্ষাৎ কৰি অনুদান প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে অসমৰ জনসাধাৰণৰ হৈ পৰিয়ালটোক গভীৰ সমবেদনা জ্ঞাপন কৰাৰ উপৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্ৰসহ ৫ লাখ টকাৰ চেক পৰিয়ালটোক প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিন্‌হাক শ্ৰীনগৰৰ ৰাজভৱনত সৌজন্যমূলক সাক্ষাৎ কৰে। উল্লেখযোগ্য যে অসম মন্ত্ৰীসভাৰ বৈঠকত পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত ২৬ জন লোকৰ পৰিয়ালক ৫ লাখকৈ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱাৰ প্ৰস্তাৱ লোৱা হৈছিল। এই অনুসৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকী মন্ত্ৰীয়ে দেশৰ কেইবাখনো ৰাজ্যলৈ গৈ নিহতসকলৰ পৰিয়ালবৰ্গক এই সহানুভূতিসূচক অনুদান আগবঢ়াইছে।

০০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে অসমত চাইবাৰ অপৰাধমূলক কাৰ্যকলাপত ব্যৱহাৰৰ বাবে ছিমকাৰ্ড বিক্ৰী সন্দৰ্ভত এটা গোচৰ পঞ্জীয়ন কৰিছে। এই সন্দৰ্ভত লাভ কৰা বিশেষ প্ৰতিবেদনৰ আধাৰত অসমসহ দেশৰ বিভিন্ন স্থানত ৩৯ জন এনেধৰণৰ অপৰাধমূলক কাৰ্যকলাপত ব্যৱহৃত ভুৱা ছিম কাৰ্ডৰ এজেণ্টক চিনাক্ত কৰা হৈছে। এই লোকসকলে এনেধৰণৰ ভুৱা কাৰ্ড বিক্ৰী কৰাৰ উপৰি ভুৱা বেংক একাউণ্ট খুলি বিভিন্ন লোকক প্ৰৱঞ্চনামূলক ফোনকলৰ দ্বাৰা হাৰাশাস্তি কৰাৰ তথ্যও পোৱা গৈছে। চি বি আইয়ে চিনাক্ত কৰা এই ৩৯ জন

এজেণ্টৰ ভিতৰত ৭ জন শিলচৰ আৰু কাছাৰ জিলাৰ অন্য অঞ্চলৰ লোক। কেন্দ্ৰীয় গৃহ পৰিক্ৰমা আৰু দূৰ সংযোগ বিভাগে প্ৰকাশ কৰা তথ্যমতে এই ৩৯ জন এজেণ্টে এহেজাৰ ১০০ খন ছিম কাৰ্ড বিক্ৰী কৰিছে আৰু এই কাৰ্ডসমূহ বিভিন্ন ধৰণৰ চাইবাৰ অপৰাধৰ বাবে ব্যৱহাৰ কৰা হৈছে। এই সংক্ৰান্তত ৰাষ্ট্ৰীয় অপৰাধৰ তথ্য প্ৰদানকাৰী প'ৰ্টেলত দুহেজাৰ ২০০ টা গোচৰ পঞ্জীভুক্ত হৈছে বুলিও চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। এইক্ষেত্ৰত জনসাধাৰণক সজাগ হ'বলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

গুৱাহাটী ক্ৰীড়া সন্থাই গ্ৰহণ কৰা বিশেষ পদক্ষেপ অনুসৰি ১৯ বছৰ অনুৰ্ধ ১৭ গৰাকী খেলুৱৈক উন্নত প্ৰশিক্ষণৰ বাবে স্পেইনলৈ প্ৰেৰণ কৰা হ'ব। কালি গুৱাহাটী টাউন ক্লাবৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এখন সংবাদমেলত বি চি চি আইৰ সচিব তথা গুৱাহাটী ক্ৰীড়া সন্থাৰ সম্পাদক দেৱজিৎ শইকীয়াই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে সদ্যসমাপ্ত ৭০ সংখ্যক ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী ৭২ গৰাকী খেলুৱৈৰ মাজৰ পৰা কঠিন পৰীক্ষাৰ মাধ্যমেৰে এই ১৭ গৰাকী উদীয়মান প্ৰতিভা বাছনি কৰা হৈছে।

বাইট

০০০০০০

অসম প্ৰদেশ কংগ্ৰেছৰ নৱ নিৰ্বাচিত সভাপতি গৌৰৱ গগৈয়ে কালি শিৱসাগৰত উপস্থিত হৈ দলীয় কৰ্মী, সমৰ্থক, জ্যেষ্ঠ নাগৰিকৰ সৈতে মত বিনিময় কৰাৰ পাছত নিশা গুৱাহাটী অভিমুখে ৰাওনা হয়। এই যাত্ৰা কালত কলিয়াবৰ, নগাঁও আদি বিভিন্ন স্থানত নৱ নিৰ্বাচিত সভাপতিজনক দলীয় কৰ্মী সমৰ্থকে আদৰণি জনায়। কালি নিশা নগাঁৱত কটোৱাৰ পাছত আজি পুৱা শ্ৰী গগৈয়ে বটদ্ৰ'ৱা থান দৰ্শন কৰাৰ কথা। ইয়াৰ পাছতে তেওঁ নগাঁও আৰু মৰিগাঁও জিলাত কেইবাখনো পথসভাত অংশগ্ৰহণ কৰিব। বিয়লি কামৰূপ মহানগৰ জিলাৰ ডিমৰীয়া ব্লক কংগ্ৰেছৰ কাৰ্যালয়ত তেওঁ উপস্থিত হ'ব। ইয়াৰ পৰা দলীয় কৰ্মীসকলে তেওঁক খানাপাৰালৈ আদৰি আনিব। দলীয় সূত্ৰই প্ৰকাশ কৰা মতে কাইলৈ তেওঁ ৰাজীৱ ভৱনত উপস্থিত হৈ সভাপতিৰ কাৰ্যভাৰ আনুষ্ঠানিকভাৱে গ্ৰহণ কৰিব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত পাঞ্জাব কিংছে মুম্বাই ইণ্ডিয়ানছক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কালি অনুষ্ঠিত দ্বিতীয়খন কোৱালিফায়াৰত মুম্বাই ইণ্ডিয়ানছে বান্ধি দিয়া ২০৪ ৰানৰ বিজয় লক্ষ্য পাঞ্জাব কিংছে এটা অভাৰ বাকী থকা অৱস্থাত সহজে অতিক্ৰম কৰে। পাঞ্জাব কিংছৰ হৈ অধিনায়ক শ্ৰেয়াছ আয়াৰে ৮৭ ৰান সংগ্ৰহ কৰে। নিহাল ৱাধেৰাই ৪৮ ৰানৰ বৰঙণি আগবঢ়ায়। মুম্বাই ইণ্ডিয়ানছৰ হৈ আশ্বানী কুমাৰে দুটা উইকেট দখল কৰে। শ্ৰেয়াছ আয়াৰক প্লেয়াৰ অৱ মেচ ঘোষণা কৰা হয়। বৰষুণৰ বাবে খেলখন কিছু পলমকৈ অনুষ্ঠিত হৈছিল।

এই জয়ৰ সুবাদত কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত পাঞ্জাব কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

## NPR/RNU (02-06-2025) MORN.

ৰাজ্যত চলিত বৰ্ষৰ প্ৰথমটো বানে ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰিকাকতসমূহে আলোকচিত্ৰসহ ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে

‘ৰাজ্যত বান-খহনীয়াৰ ভয়ংকৰ ৰূপ’, **নিয়মীয়া বাৰ্তা** কাকতে ‘উজনি-বৰাকৰ পৰা নামনিলৈ ১৯ জিলাৰ ৩ লাখ ৬৪ হাজাৰ বন্যাৰ্তৰ হাহাকাৰ’, **দৈনিক জনমভূমি** কাকতে ‘প্ৰবল বৰষুণ-ভূমিস্খলনে দুৰ্যোগ নমাইছে উত্তৰ-পূবত - ছিকিমত আবদ্ধ ১৫০০ পৰ্যটক’ এই শিৰোনামেৰে বানৰ বাতৰি প্ৰকাশ কৰিছে। গুৱাহাটী মহানগৰীৰ ভূমিস্খলনৰ ঘটনাত মৃত্যু হোৱা ৫ জন লোকৰ নিকট আত্মীয়লৈ চৰকাৰে ৪ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ বাতৰি **দৈনিক অসম** কাকতে প্ৰকাশ কৰিছে। লণ্ডনত অনুষ্ঠিত ব্ৰিটেইন্‌ছ গট টেলেণ্টত অসমৰ বিনিতা ছেত্ৰীয়ে তৃতীয় স্থান দখল কৰাৰ বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো **অসমীয়া খবৰ** কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ইউক্ৰেইনৰ ড্ৰোণ আক্ৰমণত মস্কো এয়াৰবেছত ৪০ খন যুদ্ধ বিমান বিধবস্ত হোৱাৰ বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজ্যত থকা অপ্ৰাদেশীকিকৃত একাংশ শিক্ষানুষ্ঠানক প্ৰাদেশীকিকৰণৰ বাবে চৰকাৰে প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ইয়াৰ বাবে গঠন কৰা কেবিনেট উপ-সমিতিৰ এখন বৈঠক মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত হয়। বাতৰিটোক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। পাকিস্তানৰ হৈ চোৰাংচোৱাগিৰিৰ অভিযোগত লিচুবাৰী সেনা চাউনীৰ পৰা এজন লোকক গ্ৰেপ্তাৰ কৰাৰ বাতৰি এটাও কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰতৰ দ্বিতীয়গৰাকী মহাকাশচাৰী হিচাপে শুভাংশু শুক্লাই ৮ জুনত ফ্ল’ৰিডাৰ্ কেনেডী মহাকাশ কেন্দ্ৰৰ পৰা এক্সিয়ম স্পেচৰ চতুৰ্থ বাণিজ্যিক অভিযানৰ অংশ হিচাপে আন্তঃৰাষ্ট্ৰীয় মহাকাশ ষ্টেচনলৈ যাত্ৰাৰ বাবে সাজু হোৱাৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। চীনৰ চাংহাইত ভাৰতীয় সম্প্ৰদায়ে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬৪ সংখ্যক জন্মবাৰ্ষিকী উদযাপন কৰাৰ বাতৰি দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ’ৰ সৰবৰহী ব্যক্তি হেমৰাম দাসৰ আজি পুৱা মৃত্যু হয়। দীৰ্ঘদিন ধৰি ৰোগাক্ৰান্ত হৈ থকা দাসৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৮০ বছৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনীৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৪ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মিজোৰাম, মণিপুৰ, নাগালেণ্ড, ত্ৰিপুৰা আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত